# REGIONAL NEWS UNIT
# AKASHVANI, GUWAHATI
0000000000

**Date :** 01-04-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

১। ভাৰত আৰু চিলিয়ে দুৰ্যোগ্য ব্যৱস্থাপনা আৰু সাংস্কৃতিক বিনিময় ক্ষেত্ৰত সহযোগিতাৰ বাবে কেইবাখনো চুক্তিত স্বাক্ষৰ কৰিছে।

২। চৰকাৰে বিগত ১০ বছৰত মাছমৰীয়াসকলৰ কল্যানৰ বাবে ভালেমান পদক্ষেপ লৈছে আৰু এনে পদক্ষেপৰ ফলত দেশত মাছৰ উৎপাদন বৃদ্ধি পাইছে।

৩। গুজৰাট চৰকাৰে সৰৰমতি আশ্ৰমৰ পুনৰ বিকাশৰ বাবে আশ্ৰমখন অধিগ্ৰহণ কৰা কাৰ্যৰ বিৰুদ্ধে মহাত্মা গান্ধীৰ পৰিনাতিয়ে দাখিল কৰা এখন আবেদন শুনানিৰ বাবে গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰিছে।

৪। ম্যানমাৰত যোৱা সপ্তাহত অহা ভূমিকম্পত মৃত্যু হোৱা লোকৰ সংখ্যা ২ হেজাৰ ৭০০ অতিক্ৰম কৰিছে। ***আৰু***

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কিছুসময়ৰ পাছত লক্ষ্ণৌত হবলগীয়া এখন খেলত লক্ষ্ণৌ চুপাৰ জায়েণ্টছ্ পাঞ্জাৱ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooo

ভাৰত আৰু চিলিয়ে দুৰ্যোগ্য ব্যৱস্থাপনা আৰু সাংস্কৃতিক বিনিময় ক্ষেত্ৰত সহযোগিতাৰ বাবে কেইবাখনো চুক্তিত স্বাক্ষৰ কৰিছে। দুয়োপক্ষই লগতে এণ্টাৰটিকা সহযোগিতাৰ বাবে অভিপ্ৰায় পত্ৰও বিনিময় কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত চিলিৰ ৰাষ্ট্ৰপতি গেব্ৰিয়াল ব'ৰিক ফণ্টৰ সৈতে হোৱা আলোচনাৰ অন্তত এই চুক্তিকেইখন স্বাক্ষৰিত হয়।

শ্ৰীমোদীয়ে প্ৰেছ বিবৃতিযোগে কয় যে চিলি লেটিন আমেৰিকাত ভাৰতৰ গুৰুত্বপূৰ্ণ সহযোগী। তেওঁ কয়, যে আজিৰ আলোচনাই অনাগত দশকত সহযোগিতা বৃদ্ধিৰ নতুন উদ্যমৰ অন্বেষণৰ সহায় কৰিব। দুয়োখন দেশ পৰস্পৰৰ বাবে লাভদায়ক এখন সৰ্বাত্মক  অৰ্থনৈতিক সহযোগিতা চুক্তি সম্পৰ্কে আলোচনা আৰম্ভ কৰিবলৈ সন্মতি প্ৰকাশ কৰিছে বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে। তেওঁ কয় যে দুৰ্লভ খনিজাত পদাৰ্থ সম্পৰ্কীয় সহযোগিতা সুদৃঢ় কৰা হব আৰু স্থিতিস্থাপক গুণ সম্পৰ্ক যোগান আৰু মূল্য শৃংখলা গঢ়ি তোলাৰ বাবে প্ৰয়াস চলোৱা হ'ব। তেওঁ লগতে দুয়োখন দেশে কৃষি খণ্ডত পাৰস্পৰিক সামৰ্থ্য সদ্ব্যৱহাৰ কৰি খাদ্যৰ সুৰক্ষা সুনিশ্চিত কৰাৰ বাবে সহযোগিতা কৰিব বুলি ঘোষণা কৰে। ভাৰত ডিজিটেল ৰাজহুৱা আন্তঃগাথনি, নৱীকৰণযোগ্য শক্তি, ৰেল, মহাকাশ আৰু অন্যান্য ক্ষেত্ৰত চিলিৰ সৈতে ইতিবাচক অভিজ্ঞতা বিনিময় কৰিবলৈ সাজু বুলি শ্ৰীমোদীয়ে মন্তব্য কৰে। চিলিৰ ৰাষ্ট্ৰপতি ব'ৰিকে দুয়োগৰাকী নেতাই স্বাস্থ্য সম্পৰ্কে  আৰু চিলিক বহনসাধ্য প্ৰযুক্তি আৰু উদ্ভাৱনৰ নিৰ্ভৰযোগ্য সহযোগী হিচাপে গঢ়ি তোলাৰ আকাংক্ষাৰ বিষয়ে আলোচনা কৰা বুলি উল্লেখ কৰে। তেওঁ কয় যে চিলিয়ে এণ্টাৰটিকা দেশখনৰ এটা গুৰুত্বপূৰ্ণ বিষয় বুলি গণ্য কৰে। চিলিক এণ্টাৰটিকাৰ প্ৰৱেশদ্বাৰ বুলি অভিহিত কৰি

ৰাষ্ট্ৰপতিগৰাকীয়ে প্ৰধানমন্ত্ৰী মোদীক এণ্টাৰটিকা ভ্ৰমণ কৰিবলৈ আমন্ত্ৰণ জনায়। এই সন্দৰ্ভত দুয়োপক্ষই অন্বেষণ ক্ষেত্ৰত সহযোগিতা চুক্তি স্বাক্ষৰ কৰা বুলি তেওঁ প্ৰকাশ কৰে। ইয়াৰ পূৰ্বে শ্ৰীব'ৰিকে ৰাজঘাটত থকা মহাত্মা গান্ধীৰ সমাধিত শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰে। বিদেশ মন্ত্ৰী ড০ এছ্ জয়শংকৰেও অভ্যাগত ৰাষ্ট্ৰপতিগৰাকীক সাক্ষাৎ কৰে আৰু ভাৰত আৰু চিলিৰ মাজৰ সহযোগিতা সুদৃঢ় কৰাৰ প্ৰতি থকা প্ৰতিশ্ৰুতিবদ্ধতাৰ বাবে শ্ৰীব'ৰিকক ভূয়শী প্ৰশংসা কৰে। চিলিৰ ৰাষ্ট্ৰপতিগৰাকী আজি ৫ দিনীয়া ভাৰত ভ্ৰমণসূচীৰে নতুন দিল্লীত উপস্থিত হয়। তেওঁৰ সৈতে এটা উচ্চ পৰ্যায়ৰ প্ৰতিনিধি দলো আহিছে। ভ্ৰমণকালত শ্ৰীব'ৰিক আগ্ৰা, মুম্বাই আৰু বেংগালুৰুলৈ যাব।

ooooo

চৰকাৰে বিগত ১০ বছৰত মাছমৰীয়াসকলৰ কল্যানৰ বাবে ভালেমান পদক্ষেপ লৈছে আৰু এনে পদক্ষেপৰ ফলত দেশত মাছৰ উৎপাদন বৃদ্ধি পাইছে তথা মাছমৰীয়াসকল আয় বাঢ়িছে। মীন পালন, পশুপালন আৰু দুগ্ধ উৎপাদন মন্ত্ৰী ৰাজীৱ ৰঞ্জন সিঙে আজি লোকসভাত মাছমৰীয়াসকলৰ সমস্যাৰ প্ৰতি দৃষ্টি আকৰ্ষণ প্ৰস্তাৱৰ উত্তৰ দি এইদৰে প্ৰকাশ কৰে। শ্ৰীসিঙে কয় যে ভাৰত মাছ উৎপাদনৰ দিশৰ পৰা সম্প্ৰতি দ্বিতীয় স্থানত আছে। মীন পালন খণ্ডত বিকাশৰ বাবে চৰকাৰে লোৱা ব্যৱস্থাৰ বিষয়ে আলোকপাত কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে নৰেন্দ্ৰ মোদী চৰকাৰে সুকীয়া মীন পালন বিভাগ গঠন কৰিছে আৰু দেশত নীল বিপ্লৱৰ প্ৰসাৰৰ বাবে কাম কৰি আছে। মীন পালন খণ্ডৰ সৰ্বাত্মক বিকাশৰ বাবে প্ৰধানমন্ত্ৰী মৎস্য সম্পদা যোজনা আৰম্ভ কৰা হৈছে বুলি তেওঁ উল্লেখ কৰে। শ্ৰীসিঙে কয় যে দেশত মীন পালনৰ আন্তঃগাথনিৰ প্ৰসাৰৰ বাবে মীন পালন আৰু জলজ কৃষি আন্তঃগাথনি উন্নয়ন পুঁজি গঠন কৰা হৈছে।

ooooo

গুজৰাট চৰকাৰে সৰৰমতি আশ্ৰমৰ পুনৰ বিকাশৰ বাবে অধিগ্ৰহণ কৰা কাৰ্যৰ বিৰুদ্ধে মহাত্মা গান্ধীৰ পৰিনাতিয়ে দাখিল কৰা এখন আবেদন শুনানিৰ বাবে গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰিছে। ন্যায়াধীশ এম এম সুন্দৰেশ আৰু ৰাজেশ বিন্দলক লৈ গঠিত এখন বিচাৰপীঠে আজি এই বিশেষ অনুমতি আবেদনখন অগ্ৰাহ্য কৰে। এই আবেদনখনৰ জৰিয়তে আশ্ৰমখনৰ পুনৰ বিকাশৰ বাবে ২০২১ চনৰ প্ৰস্তাৱ খাৰিজ কৰিবলৈ অস্বীকাৰ কৰি গুজৰাট উচ্চ ন্যায়ালয়ে দিয়া ৰায়ক প্ৰত্যাহ্বান জনোৱা হৈছিল। আবেদনখনত চৰকাৰৰ এই পদক্ষেপ গান্ধীবাদী আদৰ্শৰ পৰিপন্থী আৰু ৰাষ্ট্ৰীয় ঐতিহ্যস্থলী সুৰক্ষা সম্পৰ্কীয় সংবিধানিক ব্যৱস্থা উলংঘন বুলি যুক্তি দৰ্শোৱা হৈছে। মহাত্মা গান্ধীৰ সৰলতা, আত্মনিৰ্ভৰশীলতা আৰু সমুহীয়া জীৱন প্ৰতিফলিত কৰাৰ উদ্দেশে এই আশ্ৰমখন স্থাপন কৰিছিল আৰু পুনৰ বিকাশ কাৰ্যই ইয়াৰ ঐতিহ্যক প্ৰভাৱিত কৰিব পাৰে বুলিও আবেদনখনত উল্লেখ কৰা হৈছে। ইয়াৰ পূৰ্বে পুনৰ বিকাশ পৰিকল্পনাৰ বিৰোধিতা কৰি গুজৰাট উচ্চ ন্যায়ালয়ত এখন লেখ আবেদন দাখিল কৰা হৈছিল আৰু ন্যায়ালয়ে আবেদনখন খাৰিজ কৰিছিল।

ooooo

ৰাজ্যসভাই বিমান সজুলিৰ ক্ষেত্ৰত স্বাৰ্থৰ সুৰক্ষা বিধেয়ক ২০২৫ গ্ৰহণ কৰিছে। এই বিধেয়কখনৰ জৰিয়তে মোবাইল আহিলাৰ ক্ষেত্ৰত আন্তৰাষ্ট্ৰীয় স্বাৰ্থ সম্পৰ্কীয় চুক্তিক আইনী স্বীকৃতি প্ৰদান কৰিব বিচৰা হৈছে। বিধেয়কখনত চুক্তি আৰু নিয়মাৱলীৰ ব্যৱস্থাসমূহ ৰূপায়ণৰ বাবে কেন্দ্ৰীয় চৰকাৰক নীতি নিয়ম প্ৰৱৰ্তনৰ অধিকাৰ প্ৰদান কৰাৰ দিহা কৰা হৈছে। বিধেয়কখনত অসামৰিক বিমান পৰিবহন সঞ্চালকালয়ক চুক্তিৰ বাবে পঞ্জীয়ন

প্ৰাধীকৰণ হিচাপে নিয়োজিত কৰা হৈছে। পঞ্জীয়ন প্ৰাধীকৰণক বিমানৰ পঞ্জীয়ন আৰু পঞ্জীয়ন বাতিলকৰণৰ বাবে দায়িত্ব প্ৰদান কৰা হৈছে।

০০০০০

ম্যানমাৰত যোৱা সপ্তাহত অহা ভূমিকম্পত মৃত্যু হোৱা লোকৰ সংখ্যা ২ হেজাৰ ৭০০ অতিক্ৰম কৰিছে। ম্যানমাৰৰ সামৰিক নেতা মীন আং হ্লাইনে আজি টেলিভিছনযোগে দিয়া ভাষণত এইকথা প্ৰকাশ কৰে। তেওঁ লগতে এই ভূমিকম্পত নিহতৰ সংখ্যা ৩ হাজাৰ অতিক্ৰ কৰিব পাৰে বুলি আশংকা প্ৰকাশ কৰে। ভূমিকম্পৰ ফলত ৪ হাজাৰ ৫২১ জন আহত হোৱা বুলি আৰু ৪৪১ জন লোক সন্ধানহীন হৈ থকা বুলি তেওঁ প্ৰকাশ কৰে।

শুকুৰবাৰে দেশখনৰ মাণ্ডলে অঞ্চলত ৭ দশমিক ৭ প্ৰাৱল্যৰ ভূমিকম্প আহিছিল। ইয়াৰ কেইমিনিটমান পাছত অঞ্চলটোত ৬ দশমিক ৪ প্ৰাৱল্যৰ আৰু এটা ভূইকপৰ জোকাৰণি অনুভূত হৈছে। ইয়াৰ ফলত দেশখনত ব্যাপক ধন জন হানি হৈছে।

দেশখনত উদ্ধাৰ অভিযান পূৰ্ণগতিত চলি আছে। ভাৰতে ব্ৰহ্মা অভিযানৰ অধীনত শনিবাৰৰ পৰা উদ্ধাৰ অভিযানত সহায় কৰি আছে। ভাৰতে দেশখনলৈ উদ্ধাৰকাৰী আৰু চিকিৎসকৰ দল, সাহায্য  সামগ্ৰী, ঔষধ আদি প্ৰেৰণ কৰিছে। ভাৰতীয় নৌসেনাই কেইবাখনো জাহাজেৰে য়ংগুনলৈ সাহায্য যোগান ধৰিছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে সামাজিক মাধ্যমযোগে কৈছে ব্ৰহ্ম অভিযানৰ অধীনত  বায়ু সেনাৰ চি-ৱান থ্ৰি জিৰো জে শ্ৰেণীৰ এখন  বিমানে আজি পুৰা ১৬ জন অত্যাৰশ্যকীয় মানৱীয় সাহায্য, চাউল আৰু খাদ্য সামগ্ৰীৰ সৈতে মাণ্ডলেলৈ ৰাওনা হৈছে।  নৌসেনাৰ আই এন এছ্ ঘৰিয়াল ৪৪২ মেট্ৰিকটন অত্যাৰশ্যকীয় সামগ্ৰীৰ সৈতে বিশাখাপট্টনমৰ পৰা ৰাওনা  হোৱা বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিছে। তেঁও কয় যে মাণ্ডলেত নৌসেনাৰ ক্ষেত্ৰ হস্পিতাল গোট স্থাপন কৰা হৈছে। আই এন এছ্ শতপুৰা আৰু আই এন এছ্ সাবিত্ৰী কালি ৪০ টন সামগ্ৰীৰে দেশখনত উপস্থিত হোৱা বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। ০০০০

০০০০০

টকিঅ'ত আজি ভাৰত-জাপান মহাকাশ সম্পৰ্কীয় তৃতীয়খন আলোচনা অনুষ্ঠিত হয়। এই আলোচনাচক্ৰত মহাকাশৰ সৈতে জড়িত সংস্থাসমূহক একত্ৰিত কৰি তেওঁলোকৰ নিজ নিজ মহাকাশ নীতি সম্পৰ্কত মত বিনিময় কৰাৰ সুযোগ প্ৰদান কৰা হয়। আলোচনাৰ সময়ত ৰাষ্ট্ৰীয় মহাকাশ কাৰ্যসূচী, দ্বিপাক্ষিক মহাকাশ সহযোগিতা, মহাকাশ পৰিস্থিতি সজাগতা, মহাকাশ নিৰাপত্তা, কোৱাড মহাকাশ সহযোগিতা আদি বিষয়ত আলোচনা কৰা হয়। উল্লেখযোগ্য যে আলোচনাৰ পূৰ্বে ইন স্পেচ আৰু জাপানৰ কেবিনেট কাৰ্যালয়ৰ উদ্যোগত উদ্যোগ সহযোগিতা অনুষ্ঠান অনুষ্ঠিত হয়।

০০০০০

গুজৰাটৰ বানাস্কান্থ জিলাৰ এটা ফটকা কাৰখানাত অগ্নিকাণ্ড সংঘটিত হোৱাৰ ফলত ১০ জনৰো অধিক লোকৰ মৃত্যু হয়। উল্লেখযোগ্য যে, কাৰখানাটোত হোৱা বিস্ফোৰণৰ ফলত অট্টালিকাটোৰ কিছু অংশৰ ধ্বংসস্তুপৰ মাজত কেইবাজনো শ্ৰমিক আৱদ্ধ হৈ পৰে। জিলা আৰক্ষী অধীক্ষকগৰাকীয়ে জনোৱা মতে অগ্নিনিৰ্বাপক বাহিনীয়ে জুই নিৰ্বাপন কৰিবলৈ সক্ষম হৈছে যদিও ধ্বংসস্তুপত আৱদ্ধ হৈ থকা শ্ৰমিক সকলক উদ্ধাৰ অভিযান বৰ্তমানেও অব্যাহত  আছে।

০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কিছুসময়ৰ পাছত লক্ষ্ণৌত হ'বলগীয়া এখন খেলত লক্ষ্ণৌ চুপাৰ জায়েণ্টছ্‌ পাঞ্জাৱ কিংছ্‌ৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। দুয়োটা দলে বৰ্তমানলৈকে দুই পইণ্টকৈ লাভ কৰিছে। লক্ষ্ণৌ প্ৰতিযোগিতাৰ পইণ্ট তালিকাৰ তৃতীয় আৰু পাঞ্জাৱ পঞ্চম স্থানত আছে।

০০০০০

**ঃঃ সমাপ্ত ঃঃ**